## গোৱালপাৰা মহাবিদ্যালয়

# অনলাইন আলোচনাচক্ৰ

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৭ জুন ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত ২২ জুনত অনলাইনযোগে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। সাহিত্য, পৰিৱেশ আৰু মহামাৰী শীৰ্ষক আলোচনাচক্ৰ তিনিটা স্তৰত অনুষ্ঠিত কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা তিনিখন বিশ্ববিদ্যালয়ৰ তিনিগৰাকী বিশিষ্ট শিক্ষাবিদে আলোচনাচক্ৰত অংশগ্ৰহণ কৰে। নতুন দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ মুকেশ ৰঞ্জন,. গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ নন্দনা দত্ত আৰু অসম বিশ্ববিদ্যালয়ৰ ড° ছওগত কুমাৰ নাথে বিষয় সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ দিয়ে। আলোচনাচক্ৰত মহাৰাষ্ট্ৰ, দিল্লী, কলকাতা, বেংগালুৰু, মধ্যপ্ৰদেশ, কেৰালাৰ উপৰি ছৌডি আৰব, কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ সুভাষ বৰ্মনে উদ্বোধনী ভাষণত আলোচনাচক্ৰত অংশগ্ৰহণ কৰা সকলো শিক্ষাবিদক ধন্যবাদ জ্ঞাপন কৰে।